**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 01-10-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

:::::::::::::::::::::::::::::::::::::

১। দেশ সংস্কাৰৰ দিশে দ্ৰুত গতিত আগবাঢ়িছে আৰু পৰীক্ষা পৰিচালনা কৰা প্ৰতিষ্ঠানসমূহে দেশৰ বাবে প্ৰয়োজনীয় সংস্কাৰ সন্দৰ্ভত কাম কৰা উচিত বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে ইউ পি এছ চিৰ ১০০ বছৰৰো অধিক সময়জোৰা যাত্ৰাত প্ৰজন্ম, চৰকাৰ, প্ৰযুক্তি আৰু পাঠ্যক্ৰম সলনি হৈছে যদিও সংস্থাটোৰ প্ৰতি আস্থা পূৰ্বৰ দৰে অক্ষুণ্ণ আছে বুলি মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে অহা ১৫ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ চেনী ব্যৱসায়ীসকলৰ বাবে মজুতকৰণৰ সময়সীমা ১৫ দিনলৈ হ্ৰাস কৰিছে।

৪। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ইজৰাইল অভিমুখী ফ্লাই ডুবাইৰ এখন বিমান অপহৰণৰ চেষ্টা ব্যৰ্থ কৰা ভাৰতীয় পাইলট কেপ্তেইন স্মিথ মাচ্চাৰক প্ৰশংসা কৰিছে। *আৰু*

৫। ভাৰতে এছিয়ান গেমছৰ পুৰুষৰ হকীৰ ফাইনেলত প্ৰৱেশ কৰিছে।০০০০

০০০০

দেশ সংস্কাৰৰ দিশে দ্ৰুত গতিত আগবাঢ়িছে আৰু পৰীক্ষা পৰিচালনা কৰা প্ৰতিষ্ঠানসমূহে দেশৰ বাবে প্ৰয়োজনীয় সংস্কাৰ সন্দৰ্ভত কাম কৰা উচিত বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি কেন্দ্ৰীয় লোকসেৱা আয়োগ ইউ পি এছ চিৰ শতবৰ্ষ উদযাপন অনুষ্ঠানত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে পৰীক্ষাক অকল অনুষ্ঠান হিচাপে গণ্য কৰা উচিত নহয়, কিয়নো ই যুৱ প্ৰজন্মৰ ভৱিষ্যতৰ সৈতে জড়িত । তেওঁ কয়, যে পৰীক্ষা আয়োজনত কেইমাহ মান বিলম্ব হ'লেও যুৱক-যুৱতীসকল জটিলাৰ সন্মুখীন হ'ব পাৰে আৰু সেয়েহে পৰীক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত নিশ্চিত সময়ৰ নীতি অনুসৰণ কৰা উচিত।

*(বাইট ঃ মোদী)*

প্ৰধানমন্ত্ৰীয়ে কয় ইউ পি এছ চিৰ ১০০ বছৰৰো অধিক সময়জোৰা যাত্ৰাত প্ৰজন্ম, চৰকাৰ, প্ৰযুক্তি আৰু পাঠ্যক্ৰম সলনি হৈছে যদিও সংস্থাটোৰ প্ৰতি আস্থা পূৰ্বৰ দৰে অক্ষুণ্ণ আছে। তেওঁ লগতে চৰকাৰী পদৰ পৰিৱৰ্তে লোকসেৱাৰ প্ৰতি উদ্বুদ্ধ যুৱ প্ৰদ্মপ সেৱা অন্তৰ্ভুক্ত কৰাত গুৰুত্ব আৰোপ কৰে। একবিংশ শতিকাৰ ভাৰতবৰ্ষই নতুন কৰ্মসংস্কৃতি আৰু জন হিতৈষী, সক্ৰিয় আৰু সুশাসনৰ নীতিৰে আগবাঢ়িছে বুলি তেওঁ মত প্ৰকাশ কৰে।

বৰ্তমান চৰকাৰ নাগৰিক দেৱ ভব মন্ত্ৰৰে আগবাঢ়িছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে নাগৰিকৰ প্ৰতি সেৱা আগবঢ়োৱাটো সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয়। ইউ পি এছ চি আৰু ৰাজ্যিক লোকসেৱা আয়োগৰ দৰে প্ৰতিষ্ঠানসমূহে বিকশিত ভাৰতৰ বাবে প্ৰয়োজনীয় প্ৰশাসনৰ অভাৱ পূৰণ কৰিব পাৰে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান নিযুক্তি লাভ কৰা

যুৱক-যুৱতীসকলে ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ কয়, যে ২০৪৭ চনৰ ভাৰতবৰ্ষ বৰ্তমানৰ ভাৰতবৰ্ষতকৈ ভিন্ন হ'ব। সেই সময়ত দেশত অধিক নগৰীকৰণ হ'ব। গাঁও আৰু নগৰৰ মাজৰ ব্যৱধান হ্ৰাস পাব আৰু জনসাধাৰণৰ বিশেষকৈ যুৱ প্ৰজন্মৰ আশা-আকাংক্ষা অধিক হ'ব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে পৰৱৰ্তী ২০ৰ পৰা ২৫ বছৰ প্ৰতিগৰাকী ভাৰতীয় আৰু দেশৰ প্ৰতিটো প্ৰতিষ্ঠানৰ বাবে গুৰুত্বপূৰ্ণ হ'ব।

অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে কয়, যে ইউ পি এছ চিয়ে বিগত ১২ বছৰত ভালেমান সাফল্য অৰ্জন কৰিছে। তেওঁ কয়, যে ইউ পি এছ চিৰ জৰিয়তে হোৱা নিযুক্তি বৃদ্ধি পাইছে আৰু নিযুক্তি প্ৰক্ৰিয়াৰ স্বচ্ছতাও বৃদ্ধি পাইছে। ইয়াৰ ফলত সংস্থাটোৰ প্ৰতি জনসাধাৰণ আস্থা বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এন ডি এৰ ১২ বছৰীয়া শাসনকালত ইউ পি এছ চিৰ জৰিয়তে প্ৰায় ৬৫ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছে। সম্প্ৰতি ইউ পি এছ ই দেশ আৰু বিশ্বৰ নিযুক্তি সংস্থাসমূহৰ বাবে আদৰ্শ হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক আৰু ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকৰ লেখীয়া স্মৃতি চিহ্ন নিৰ্মাণ কৰি কিদৰে এই দৃষ্টিভংগী বাস্তবায়িত কৰা হৈছে সেই বিষয়ে আলোকপাত কৰা হৈছে।

২০১৯ চনৰ জানুৱাৰীত ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক নিৰ্মাণ কৰা হৈছিল। দিল্লীৰ ইণ্ডিয়া গেটৰ সমীপত নিৰ্মাণ কৰা এই স্মাৰক স্বাধীনতা লাভৰ পাছত বিভিন্ন সংঘৰ্ষত প্ৰাণ আহুতি দিয়া সশস্ত্ৰ বাহিনীৰ সৈনিকসকলৰ প্ৰতি উৎসৰ্গিত। স্মাৰকথলীত মূল স্মাৰকৰ উপৰি যুদ্ধকালিন সৰ্বোচ্চ সাহসিকতাৰ বঁটা পৰমবীৰ চক্ৰৰে সন্মানিত ২১ গৰাকী সৈনিকৰ মূৰ্তি ৰখাৰ বাবে সুকীয়া ঠাইৰ ব্যৱস্থা কৰা হৈছে।

আৰক্ষী স্মৃতি দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ চনত ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰক ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিছিল। সেই স্মাৰকথলীত মূল স্মাৰকৰ লগতে কৰ্তব্য পালনৰ সময়ত প্ৰাণ হেৰুওৱা আৰক্ষীসকলৰ নাম খোদিত বীৰত্বৰ প্ৰাচীৰো আছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে অহা ১৫ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ চেনী ব্যৱসায়ীসকলৰ বাবে মজুতকৰণৰ সময়সীমা ১৫ দিনলৈ হ্ৰাস কৰিছে আৰু মজুত ৰখাৰ চেনীৰ সৰ্বোচ্চ সীমা এহেজাৰ কুইণ্টল নিৰ্ধাৰণ কৰিছে। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে উৎসৱৰ সময়ছোৱাত অবৈধ মজুতকৰণ ৰোধ কৰাৰ লগতে গ্ৰাহকসকললৈ সুচল যোগান নিশ্চিত কৰাৰ উদ্দেশ্যে এই সিদ্ধান্ত লোৱা হৈছে। মজুতকৰণৰ সংশোধিক নিয়ম অনুসৰি কলকাতা আৰু ইয়াৰ চৌপাশৰ সম্প্ৰসাৰিত মহানগৰ এলেকা আৰু অসমৰ বাবে মজুতকৰণৰ সীমা দুই হাজাৰ কুইণ্টল নিৰ্ধাৰণ কৰা হৈছে। কলকাতাই উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ পৰা চেনী আহৰণ কৰে আৰু উত্তৰ-পূৰ্বাঞ্চল সহ দেশৰ পূব অংশক যোগান ধৰে। ভৌগোলিক প্ৰত্যাহ্বান, পৰিবহন ব্যৱস্থা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ গ্ৰাকসকলৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ বাবে অন্য ৰাজ্যৰ তুলনাত মজুতকৰণৰ উচ্চ সীমা নিৰ্ধাৰণ কৰা হৈছে।

০০০০

ইজৰাইল অভিমুখী ফ্লাই ডুবাইৰ এখন বিমান অপহৰণৰ চেষ্টা ব্যৰ্থ কৰা ভাৰতীয় পাইলট কেপ্টেইন স্মিত মাচ্চাৰক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৱে প্ৰশংসা কৰিছে। ১৭৪ গৰাকী যাত্ৰী কঢ়িয়াই নিয়া বিমানখন অপহৰণৰ অপচেষ্টা চলাই কেপ্টেইন স্মিতক চুৰিৰে আঘাট হানিছিল। আহত হোৱাৰ পাছতো ভাৰতীয় সাহসী পাইলট গৰাকীয়ে ককপিটৰ দুৱাৰখন খুলি দিয়ে। ইয়াৰ পাছতে বিমানৰ চালক দলৰ অন্য সদস্য সকলে সহ পাইলটজনক কৰায়ত্ত কৰি বিমানখন নিয়ন্ত্ৰণলৈ আনে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এটা বাৰ্তাত কেপ্টেইন স্মিতৰ বাবে দেশবাসীয়ে গৌৰৱ অনুভৱ কৰিছে বুলি মন্তব্য কৰিছে। তেওঁ কয় যে, স্মিতৰ সাহস আৰু উপস্থিত বুদ্ধিয়ে সকলোকে অনুপ্ৰাণিত কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও কেপ্টেইন গৰাকীৰ এই সাহসৰ শলাগ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শতাধিক লোকৰ জীৱন ৰক্ষা কৰা কেপ্টেইন গৰাকীক আন্তৰিকতাৰে প্ৰশংসা কৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহু আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পেও কেপ্টেইন স্মিতৰ সাহসিকতাক প্ৰশংসা কৰি তেওঁক প্ৰকৃত নায়ক আখ্যা দিছে।

০০০০

এছিয়ান গেমছত ভাৰতে পুৰুষৰ হকীৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে আজি কাকামিগাহাৰাত অনুষ্ঠিত ছেমিফাইনেলত পাকিস্তানক ৪-৩ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীতে খেলৰ পাঁচ আৰু ১৩ মিনিটত দুটা পেনাল্টি কৰ্ণাৰক গ'ললৈ ৰূপান্তৰ কৰে। ইয়াৰ পাছতে সুখজিৎ সিঙে তৃতীয়টো গল দিয়ে। অভিষেকে খেলৰ অন্তিম মুহূৰ্তত বিজয়সূচক গ'লটো দিয়ে।

যোৱাবাৰৰ চেম্পিয়ন ভাৰত শনিবাৰে হ'বলগীয়া ফাইনেলত দক্ষিণ কোৰিয়া আৰু মালয়েছিয়াৰ মাজৰ দ্বতীয়খন ছেমিফাইনেলৰ বিজয়ী দলটোৰ সন্মুখীন হ'ব।

ইপিনে মহিলা হকীৰ ফাইনেলত কাইলৈ ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় পুৰুষ আৰু মহিলা উভয় দলে ১৯৯৮ চনৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে এছিয়ান গেমছৰ একেটা সংস্কৰণৰ ফাইনেলত প্ৰৱেশ কৰিছে।

গ্ৰীকো ৰোমান শৈলীৰ মল্লযোদ্ধা নিতেশ সিৱাছে আজি পুৰুষৰ ৯৭ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক অৰ্জন কৰে। নিতেশ ফাইনেলত জাপানৰ য়ুৰি নাকাজাতোৰ হাতত ৪-০ ফলাফলত পৰাজিত হয়। ইফালে ভাৰতীয় কম্পাউণ্ড আৰ্চাৰ গণেশ মণিৰত্নম থিৰুমুৰুৱে আজি এছিয়ান গেমছৰ পুৰুষৰ ব্যক্তিগত শাখাত ব্ৰঞ্জৰ পদক হস্তগত কৰে। গণেশে ব্ৰঞ্জৰ পদকৰ যুঁজত কোং ডুক ডাঙক ১৪৯-১৪৪ পইন্টৰ ব্যৱধানত পৰাভূত কৰে। একেদৰে স্কোৱাচৰ ছেমিফাইনেলত হংকঙৰ হাতত ১-২ ফলাফলত পৰাজিত হৈ ভাৰতীয় মহিলা দল ব্ৰঞ্জৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। ইপিনে ভাৰতে ছেপক্টাকৰাৰ পুৰুষৰ কোৱাড্ৰেণ্ট শিতানত ভিয়েটনামক ২-০ ফলাফলত পৰাভূত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে আৰু পদক নিশ্চিত কৰিছে।

পুৰুষৰ ক্ৰিকেটত ভাৰতে আজি শ্ৰীলংকাক ১২৪ ৰানত পৰাস্ত কৰে। ভাৰত পৰহিলৈ ফাইনেলত পাকিস্তাৰ সন্মুখীন হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ